**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-03-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। অসম বিধানসভাৰ বাজেট অধিবেশন অনিৰ্দিষ্টকাললৈ স্থগিত। অধিৱেশনত বিশ্ববিদ্যালয় সংশোধনী বিধেয়ককে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক উত্থাপন।

২। এতিয়াৰেপৰা ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহক পৰীক্ষা কেন্দ্ৰৰ দায়িত্বৰ পৰা অব্যাহতি দিয়াৰ বিষয়ে অসম চৰকাৰৰ সক্ৰিয় বিবেচনা।

৩। অহা ১ এপ্ৰিলৰ পৰা প্ৰযোজ্য হোৱাকৈ সাধাৰণ গ্ৰাহক আৰু জীৱনধাৰা আঁচনিৰ অধীনৰ গ্ৰাহকৰ বাবে প্ৰতি ইউনিটত বিদ্যুৎ মাছুল এটকাকৈ হ্ৰাস কৰিবলৈ অসম বিদ্যুৎ নিয়ামক আয়োগৰ নিৰ্দেশনা।

৪। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ তীব্ৰতৰ।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সংস্থাৰ ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ্ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখী।

০০০০০০০

অসম বিধানসভাৰ ১৫ দিনীয়া বাজেট অধিবেশন আজিৰে পৰা অনিৰ্দিষ্টকাললৈ স্থগিত ৰখা হৈছে। যোৱা ১৭ ফেব্ৰুৱাৰীত কোকৰাঝাৰ বিটিচি বিধায়িনী ভৱনত ৰাজ্যপালৰ ভাষণেৰে বাজেট অধিৱেশন আৰম্ভ হয়। ইয়াৰ পাছত ১৯ ফেব্ৰুৱাৰীৰ পৰা অধিৱেশনৰ কাৰ্যসূচীসমূহ দিছপুৰৰ বিধানসভা ভৱনত অনুষ্ঠিত হয়। ১০ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত ২০২৫-২৬ বৰ্ষৰ বাজেট উত্থাপন কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে এইবাৰৰ বাজেট অধিৱেশনত অসম ব্যক্তিগত বিশ্ববিদ্যালয় সংশোধনী বিধেয়ক, ৰাজ্যিক বিশ্ববিদ্যালয় সংশোধনী বিধেয়ক, অসম ক'চিং ইনষ্টিটিউট নিয়ন্ত্ৰণ আৰু নিয়মাৱলী বিধেয়ক আৰু তিনিখন নতুন বিশ্ববিদ্যালয় স্থাপন বিধেয়ককে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক উত্থাপন কৰা হয়। বিধানসভাৰ এইবাৰৰ অধিৱেশনত সাংসদ ৰকিবুল হুছেইনক দুৰ্বৃত্তই আক্ৰমণ কৰা, বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ অশোভনীয় আচৰণ, বিধায়ক মনোৰঞ্জন তালুকদাৰৰ বিতৰ্কিত অডিঅ' বাৰ্তা, উপাধ্যক্ষ ডাঃ নোমল মমিনৰ গাত কংগ্ৰেছৰ বিধায়ক নুৰুল হুদাই হাত দিয়াৰ অভিযোগ আদি কেইবাটাও বিতৰ্কিত ঘটনা চৰ্চালৈ আহে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত অনুষ্ঠিত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সফল সামৰণি আৰু অসমলৈ দেশী-বিদেশী বিনিয়োগকাৰীৰ বিনিয়োগৰ প্ৰস্তাৱ সম্পৰ্কেও সদনত বিবৃতি দিয়ে। অসম বিধানসভাই এইবাৰৰ অধিৱেশনতে ভাৰতীয় ক্ৰিকেট দলৰ চেম্পিয়নছ ট্ৰফী লাভ আৰু অসম সন্তান দেৱজিত শইকীয়া বিচিচিআইৰ সচিবৰূপে নিৰ্বাচিত হোৱাকে ধৰি কেইবাটাও সফলতাৰ বাবে অভিনন্দনসূচক প্ৰস্তাৱ গ্ৰহণ কৰে। আজি সদনৰ অধিৱেশনৰ সামৰণিত অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এইবাৰৰ অধিৱেশনৰ সফল সামৰণিৰ বাবে বিটিচি কৰ্তৃপক্ষ,

অসম চৰকাৰ, মুখ্যমন্ত্ৰীকে ধৰি মন্ত্ৰী পৰিষদৰ সদস্যসকল, চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু সংবাদ মাধ্যমৰ প্ৰতি কৃতজ্ঞতা জনায়।

০০০০০০

অসম চৰকাৰে এতিয়াৰেপৰা ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহক পৰীক্ষা কেন্দ্ৰৰ দায়িত্বৰ পৰা অব্যাহতি দিয়াৰ বিষয়ে সক্ৰিয়ভাৱে বিবেচনা কৰিছে। আজি ৰাজ্য বিধানসভাত যোৱা ২১ মাৰ্চত হ'বলগীয়া অসম বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ একাদশ শ্ৰেণীৰ গণিতৰ প্ৰশ্ন কাকত ফাদিল হোৱা ঘটনা সম্পৰ্কত বিবৃতি দি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে গোৱালপাৰা জিলাৰ এখন ব্যক্তিগত বিদ্যালয়ৰ পৰা এই প্ৰশ্নকাকত প্ৰথমে ফাদিল হোৱা আৰু আন ১৫ খন বিদ্যালয়ত প্ৰশ্নকাকতৰ টোপোলা আগতীয়াকৈ খোলা হৈছিল বুলি নিশ্চিত তথ্য লাভ কৰা হৈছে। এই অনিয়ম আন তিনিখন প্ৰাদেশিকীকৃত বিদ্যালয়তো সংঘটিত হোৱা বুলি সম্ভেদ পোৱা গৈছে। তেওঁ কয়, যে বাতিল হোৱা পৰীক্ষাসমূহৰ দিন পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতে ঘোষণা কৰা হ'ব আৰু এই দোষী বিদ্যালয়কেইখনত পৰৱৰ্তী শিক্ষাবৰ্ষত উচ্চতৰ মাধ্যমিক শ্ৰেণীত নামভৰ্তিত বাধা আৰোপ কৰা হৈছে।

-বাইট-

ৰাজ্যখনৰ চৰ অঞ্চলকে ধৰি আওহতীয়া অঞ্চলসমূহত থকা বিদ্যালয়সমূহত শিক্ষকৰ নাটনিৰ সমস্যাটো দূৰ কৰাৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শিক্ষকৰ অঞ্চলভিত্তিক নিযুক্তি কেডাৰ পদ সৃষ্টিৰ পৰামৰ্শ দিছে আৰু এই বিষয়ে শীঘ্ৰে এটা সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি তেওঁ সদনক জানিবলৈ দিয়ে।

০০০০০০০

অসম বিদ্যুৎ নিয়ামক আয়োগে অহা ১ এপ্ৰিলৰ পৰা প্ৰযোজ্য হোৱাকৈ বিদ্যুতৰ নতুন নিৰিখ সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰিছে। অসম বিদ্যুৎ বিতৰণ কোম্পানী এ পি ডি চি এল, অসম বিদ্যুৎ গ্ৰীড কোম্পানী আৰু ৰাজ্যিক ভাৰ বিতৰণ কেন্দ্ৰৰ আবেদনৰ ওপৰত ভিত্তি কৰি এই নতুন নিৰিখ সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰা হয়। আয়োগে সকলো পক্ষৰ মতামত গ্ৰহণৰ পাছত সাধাৰণ গ্ৰাহক আৰু জীৱনধাৰা আঁচনিৰ অধীনৰ গ্ৰাহকৰ বাবে প্ৰতি ইউনিটত বিদ্যুৎ মাচুল এটকাকৈ হ্ৰাস কৰাৰ নিৰ্দেশ দিছে। আন সকলো গ্ৰাহকৰ বাবে প্ৰতি ইউনিটত ২৫ পইচাকৈ বিদ্যুৎ মাচুল হ্ৰাস কৰাৰ নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে এ পি ডি চি এলে দাখিল কৰা আবেদনত ২০২৫-২৬ বৰ্ষৰ বাবে নতুন নিৰিখত সাধাৰণ গ্ৰাহকৰ বিদ্যুৎ মাচুল বৃদ্ধিৰ প্ৰস্তাৱ দাখিল কৰা হোৱা নাছিল। অসম বিদ্যুৎ নিয়ামক আয়োগে সাধাৰণ গ্ৰাহক, বিদ্যুতৰ উৎপাদন, বিতৰণ আৰু গ্ৰীডৰ তিনিওটা কোম্পানীৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰিখ নিৰ্ধাৰণ কৰিছে। ইয়াৰ পূৰ্বে আয়োগে সংশ্লিষ্ট সকলো পক্ষৰে মতামত গ্ৰহণ কৰাৰ উপৰি যোৱা ১২ মাৰ্চত আয়োগৰ কাৰ্যালয়ত ৰাজহুৱা শুনানিও গ্ৰহণ কৰিছিল। এই শুনানিত ১২ টা পক্ষই বিদ্যুৎ নিৰিখ আবেদন সন্দৰ্ভত নিজৰ মতামত আগবঢ়াইছিল।

০০০০০০

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ তীব্ৰতৰ হৈছে। পৰিষদৰ অন্তৰ্গত গোৱালপাৰা আৰু কামৰূপ জিলাৰ নিৰ্বাচন হ'বলগীয়া ৩৩ টা সমষ্টিৰ বাবে আজিও কেইবাগৰাকীও নেতাই প্ৰচাৰ অভিযানত অংশ লয়। সমষ্টিকেইটাত বিজেপি, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু অসম গণ পৰিষদ দলে ঐক্যবদ্ধভাৱে প্ৰচাৰ অভিযান চলাই আছে। কংগ্ৰেছ দলৰ লগতে

অন্যান্য ৰাজনৈতিক দল আৰু নিৰ্দলীয় প্ৰাৰ্থীয়েও প্ৰচাৰ তীব্ৰ কৰি তুলিছে। ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই আজি কেইবাটাও সমষ্টিত এন ডি এ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা ৰিপুণ বৰাই আজি গোৱালপাৰা জিলাৰ ধূপধৰা পৰিষদীয় সমষ্টিত দলীয় প্ৰাৰ্থী মীনা পাটগিৰিৰ হৈ প্ৰচাৰ অভিযানত অংশ লয়। একেদৰে কংগ্ৰেছ দলৰ প্ৰাৰ্থী সঞ্জীৱ কুমাৰ ৰাভা আৰু ভোটাৰ্ছ পাৰ্টী অব্ ইণ্ডিয়াৰ পুনম হাজোৱাৰীয়েও আজি প্ৰচাৰ চলায়। বিজেপিৰ প্ৰাৰ্থী সুচিত্ৰা নাথ, কংগ্ৰেছ দলৰ প্ৰাৰ্থী সোণালী সূত্ৰধৰ আৰু নিৰ্দলীয় প্ৰাৰ্থী সাধনা চাংমাৰ প্ৰচাৰ অভিযানেও আকৰ্ষণীয় ৰূপ লৈছে।

পৰিষদৰ অন্তৰ্গত কামৰূপ জিলাৰ ১৪টা সমষ্টিৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈছে। বিজেপি আৰু কংগ্ৰেছ দলে আজি জিলাখনৰ নিৰ্বাচন হ'বলগীয়া সমষ্টি কেইটাত প্ৰচাৰ অভিযানত অংশ লয়।

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদত গোৱালপাৰা জিলাত ২০টা আৰু কামৰূপ গ্ৰাম্য জিলাত ১৬টা পৰিষদীয় সমষ্টি আছে। ইয়াৰে গোৱালপাৰা জিলাত এটা আৰু কামৰূপ জিলাৰ দুটা সমষ্টিত এন ডি এৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ পৰিপ্ৰেক্ষিতত মুঠ ৩৩টা সমষ্টিৰ বাবে ৯৬গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০০

ছিংগাপুৰ চৰকাৰৰ আমন্ত্ৰণমৰ্মে দেশখন ভ্ৰমণলৈ যোৱা কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দেশখনৰ জ্যেষ্ঠ মন্ত্ৰী ড° এমি খোড়ৰ সৈতে ছিংগাপুৰ সামুদ্ৰিক সপ্তাহৰ অংশ হিচাপে ভাৰত মণ্ডপ উদ্বোধন কৰে। এই মণ্ডপত ভাৰতৰ সামুদ্ৰিক উদ্ভাৱন আৰু শক্তি সম্ভাৱনা এই মণ্ডপ ভাৰত আৰু ছিংগাপুৰৰ ৬০ বছৰীয়া কূটনৈতিক সম্পৰ্কৰ উদযাপনৰ মঞ্চ হিচাপে পৰিগণিত হৈছে বুলি শ্ৰী সোণোৱালে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি এই অনুষ্ঠানত অংশ লোৱাৰ আগেয়ে ভাৰতীয় জাহাজ পৰিবহণ পঞ্জীয়কৰ মণ্ডপো মুকলি কৰে। দেশখনত সামুদ্ৰিক সুৰক্ষা পৰিৱেশ সংৰক্ষণ আৰু প্ৰযুক্তিগত উদ্ভাৱনৰ অগ্ৰগতি এই মণ্ডপত সুন্দৰকৈ প্ৰতিফলিত হৈছে। শ্ৰী সোণোৱালে আজি সামুদ্ৰিক সপ্তাহত অংশ লোৱাৰ লগতে নেডাৰলেণ্ডৰ উপ-মন্ত্ৰী ব্ৰিডজিৎ গিছৰাৰ্ছৰ সৈতে সৌহাৰ্দ্যপূৰ্ণ দ্বিপাক্ষিক বৈঠকত মিলিত হয়। এই বৈঠকত দুয়োগৰাকী নেতাই দুয়োদেশৰ জলপথ আৰু স্মাৰ্ট বন্দৰ উন্নয়ন, সেউজ জাহাজ পৰিবহণ আৰু জাহাজ চলাচলৰ গুৰুত্বপূৰ্ণ বিষয়সমূহ আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে আজি ছিংগাপুৰৰ প্ৰমোদ তৰী কেন্দ্ৰটো পৰিদৰ্শন কৰে। ভাৰতত এনেধৰণৰ প্ৰমোদ তৰী পৰ্যটনৰ বিকাশৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত আজি অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনক কংগ্ৰেছৰ বিধায়ক নুৰুল হুদাই গাত হাত লগোৱা বুলি অভিযোগ কৰাৰ ঘটনাক লৈ বিজেপি আৰু অনুসূচিত জনজাতি মৰ্চাই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। বিজেপিৰ দলীয় কৰ্মীসকলে এই সন্দৰ্ভত বিধানসভাৰ অধ্যক্ষলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। স্মাৰক পত্ৰত কংগ্ৰেছৰ বিধায়কগৰাকীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ অধ্যক্ষক দাবী জনোৱা হয়।

০০০০০০

নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত অহা ২৭ মাৰ্চত বিভিন্ন কাৰ্যসূচীৰে নগাঁও জিলা দিৱসৰ আয়োজন কৰা হৈছে। এই উপলক্ষে সেইদিনা জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত **আমাৰ নগাঁও** শীৰ্ষক এখন কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাখনত সকলো বয়সৰ লোকে অংশগ্ৰহণ কৰিব পাৰিব। দিৱসৰ সৈতে সংগতি ৰাখি জিলাখনৰ ঐতিহ্য বহনকাৰী স্থান আৰু ইয়াৰ গুৰুত্ব সম্পৰ্কত এখন আলোকচিত্ৰ প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। আগ্ৰহী প্ৰতিযোগীসকলে এই বিষয়ৰ সৈতে সংগতি থকা এ-থ্ৰী ছাইজৰ এখন ফটো তুলি এই সন্দৰ্ভত ২০০ শব্দৰ ভিতৰত এটা লেখা আয়ুক্তৰ কাৰ্যালয়ত অথবা ই-মেইলযোগে dcpbranch.nagaon@gmail.com লৈ কাইলৈ দিনৰ ১ বজাৰ ভিতৰত জমা দিব লাগিব। প্ৰতিযোগিতাত বিজয়ীসকলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নগাঁও জিলা দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰি সকলোকে এই কাৰ্যসূচীসমূহত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

oooooo

কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ আৰু মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে আজি উত্তৰ গুৱাহাটী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এটা নতুন গৃহৰ আধাৰশিলা স্থাপন কৰাৰ লগতে চিকিৎসালয়খনৰ এটা পৰীক্ষাগাৰ গৃহ মুকলি কৰে। এই উপলক্ষে আয়োজিত সভাত জিলা যুটীয়া স্বাস্থ্য বিষয়া ডাঃ অজিৎ দাস, জিলা স্বাস্থ্য প্ৰবন্ধক স্মিতা শইকীয়াৰ উপৰি ভালেকেইগৰাকী ব্যক্তি উপস্থিত থাকে।

oooooo

গণ প্ৰহাৰত এজন লোকৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত কৰ্তব্যত গাফিলতিৰ বাবে ওদালগুৰিৰ আৰক্ষী অধীক্ষকে ইকৰাবাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া জে পি শৰ্মাক ৰিজাৰ্ভ ক্লজৰ নিৰ্দেশ দিছে। যোৱা ২০ মাৰ্চত ওদালগুৰি জিলাৰ কঠালবাৰী গাঁৱত তামোল চুৰিৰ সন্দেহত লালমোহন ৰায় নামৰ এজন লোক গাঁওবাসীৰ প্ৰহাৰত নিহত হৈছিল আৰু এই সন্দৰ্ভত আৰক্ষী বিষয়াগৰাকীয়ে তদন্ত প্ৰক্ৰিয়াত গাফিলতি কৰাৰ অভিযোগ উঠিছিল। এই অভিযোগৰ প্ৰাথমিক তদন্তৰ পাছত জিলা আৰক্ষী অধীক্ষক পুস্কিন জৈনে আজি এই নিৰ্দেশ জাৰি কৰে।

ooooooo

অসমৰ চাহৰ ভৌগোলিক সূচ্যাংক অৰ্থাৎ জি আই টেগ কাৰ্যকৰী কৰিবলৈ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিছে। দিছপুৰৰ জনতা ভৱনত সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ প্ৰতিনিধিৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হোৱাৰ পাছত কালি মন্ত্ৰীগৰাকীয়ে এই নিৰ্দেশ দিয়ে। এই বৈঠকত চাহৰ ন্যূনতম সমৰ্থ মূল্য, কাৰিকৰী প্ৰশিক্ষণ, চাহৰ মানৰ ৰক্ষণাবেক্ষণকে ধৰি কেইবাটাও বিষয় সন্দৰ্ভত প্ৰতিনিধিসকলে মন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰে। তদুপৰি অসমৰ প্ৰতিখন জিলাৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ সুৰক্ষাৰ বাবে গঠন কৰা জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিসমূহ সঠিক ৰূপত কাৰ্যক্ষম কৰা সন্দৰ্ভতো আলোচনা কৰা হয়। উপ-কৰ সমিতিৰ জৰিয়তে ক্ষুদ্ৰ চাহ খেতিয়কৰ উন্নয়নৰ বাবে যুগুত কৰা আঁচনিসমূহ সোনকালে কাৰ্যকৰী কৰিবলৈ প্ৰতিনিধিসকলে মন্ত্ৰীগৰাকীক আহ্বান জনায়। ইয়াৰ লগতে অসম চৰকাৰৰ চাহ সঞ্চালকালয়ক শক্তিশালী ৰূপত গঢ়ি তুলি ক্ষুদ্ৰ চাহ খেতিয়কৰ উন্নয়নৰ বাবে বাজেটত পুঁজি ধাৰ্য কৰা আৰু বহিঃৰাজ্যৰ পৰা নিম্নমানৰ কেঁচা চাহপাত অসমলৈ আমদানি বন্ধ কৰাৰ বাবেও ক্ষুদ্ৰ চাহ খেতিয়কসকলে মন্ত্ৰীগৰাকীক অনুৰোধ জনায়।

০০০০০০০

জনজাতি পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ উদ্যোগত অসম জনজাতি আৰু অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠানে অহা ২৭ মাৰ্চৰ পৰা ২৯ মাৰ্চলৈ গুৱাহাটীৰ নেডফী কনভেনচন কেন্দ্ৰত ৰাষ্ট্ৰীয় জনজাতি চলচ্চিত্ৰ আৰু সাহিত্য মহোৎসৱৰ আয়োজন কৰিছে। এই মহোৎসৱত চলচ্চিত্ৰ আৰু সাহিত্যৰ জৰিয়তে জনজাতি সম্প্ৰদায়সমূহৰ বৰ্ণাঢ্য সাংস্কৃতিক ঐতিহ্যক উদযাপন কৰা হ'ব।

০০০০০০০

বিশ্ব নাট্য দিৱস উপলক্ষে অহা ২৭ মাৰ্চত সমাহাৰ নাট্য গোষ্ঠীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত ড° সীতানাথ লহকৰ ৰচিত আৰু পৰিচালিত 'ন্যায়' নামৰ নাটকখন মঞ্চস্থ কৰিব। বিশিষ্ট লেখক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অৰুণী কুমাৰ ভাগৱতীয়ে সেইদিনা সন্ধিয়া ৬ বাজি ৪৫ মিনিটত এই নাটকখন উদ্বোধন কৰিব।

০০০০০০০

গুৱাহাটীৰ জনাৰ্দন দেৱালয়ৰ বালিচন্দা সংঘই অহা ৮ এপ্ৰিলত সদৌ অসম ভিত্তিত কামৰূপী লোকগীত প্ৰতিযোগিতাৰ আয়োজন কৰিছে। দুটা শাখাত হ'বলগীয়া এই প্ৰতিযোগিতাৰ নিম্ন শাখাত ১৪ বছৰ অনুৰ্ধ আৰু উচ্চ শাখাত ১৪ বছৰ উৰ্ধৰ প্ৰতিযোগীয়ে অংশগ্ৰহম কৰিব পাৰিব। ইচ্ছুক প্ৰতিযোগীয়ে এই বিষয়ে সবিশেষ জানিবলৈ বালিচন্দাৰ সম্পাদকৰ সৈতে যোগাযোগ কৰিব পাৰিব বুলি এখন বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত কাইলৈ ৰিয়ান পৰাগৰ নেতৃত্বত ৰাজস্থান ৰয়েলছে কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ২৩ বছৰীয়া ক্ৰিকেটাৰগৰাকীৰ গৃহ ৰাজ্যত খেল প্ৰদৰ্শন উপভোগ কৰিবলৈ জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে। ইতিমধ্যে গুৱাহাটীত আহি উপস্থিত হোৱা দুয়োটা দলৰ খেলুৱৈসকলে আজি বৰ্ষাপাৰাত অনুশীলন কৰে। কলকাতা নাইট ৰাইডাৰ্ছৰ অধিনায়ক আজিংক্য ৰাহানে, স্পীনাৰ বৰুণ চক্ৰৱৰ্তীসহ আন আন খেলুৱৈসকলে আজি কামাখ্যা মন্দিৰ দৰ্শন কৰি দেৱীৰ আশিস লয়। একেখন ষ্টেডিয়ামতে অহা ৩০ মাৰ্চত হ'বলগীয়া আন এখন খেলত চেন্নাই ছুপাৰ কিংছে ৰাজস্থানৰ ৰয়েলছৰ বিৰুদ্ধে খেলিব।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ পাঞ্জাৱ কিংছৰ মুখামুখী হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০

শ্ৰীলংকাত অহা ৪ৰ পৰা ৬ জুলাইলৈ হ'বলগীয়া ৩৮ সংখ্যক শ্ৰীলংকা ইণ্টাৰনেচনেল অ'পেন মাষ্টাৰ্ছ এথলেটিক্‌ছ চেম্পিয়নশ্বিপলৈ কোকৰাঝাৰৰ ৪ গৰাকী প্ৰবীণ খেলুৱৈয়ে যোগ্যতা অৰ্জন কৰিছে। অঞ্জলি স্বৰ্গীয়াৰী, সোণেশ্বৰী বসুমতাৰী, সিংখাউৰি বসুমতাৰী আৰু ললিত বসুমতাৰী নামৰ খেলুৱৈ চাৰিগৰাকীয়ে ৪ জুলাইত ভাৰতীয় দলৰ অন্যান্য খেলুৱৈৰ সৈতে দেশখনত উপস্থিত হ'ব।

০০০০০০০

**সমাপ্ত**